TDC Even Semester Exam., 2019

ASSAMESE

(Honours)

(2nd Semester)

Course No. : ASMH–203

(Assamese Grammar and Script)

Full Marks : 50

Pass Marks : 17

Time : 2 hours

The figures in the margin indicate full marks for the questions

Answer **all** questions

UNIT—I

(*মূল্যাংক* : ১০)

১। (ক) ব্যাকৰণ কেইপ্ৰকাৰৰ? কোনো এটা ভাষাৰ ব্যাকৰণৰ প্ৰয়োজনীয়তা সম্পৰ্কে এটি আলোচনা আগবঢ়োৱা। ২+৮=১০

অথবা

(খ) কোনে, কি ভাষাত প্ৰথমখন অসমীয়া ব্যাকৰণ ৰচনা কৰিছিল? অসমীয়া ব্যাকৰণৰ মিছনেৰী ধাৰাটোৰ এটি আভাস দাঙি ধৰা। ১+১+৮=১০

UNIT—II

(*মূল্যাংক* : ২৫)

২। (ক) বিশিষ্ট ধ্বনি বুলিলে কি বুজা? অসমীয়া ভাষাৰ বিশিষ্ট ব্যঞ্জনধ্বনিসমূহৰ এখন তালিকা প্ৰস্তুত কৰা। কোনটো বিশিষ্ট ধ্বনি শব্দৰ আৰম্ভণিত ব্যৱহাৰ নহয়, উল্লেখ কৰা। ৩+৬+১=১০

অথবা

(খ) প্ৰত্যয় কাক বোলে? প্ৰত্যয় কেইপ্ৰকাৰৰ আৰু কি কি? অসমীয়া ভাষাৰ নিৰ্দিষ্টতাবাচক প্ৰত্যয়সমূহৰ বিষয়ে উদাহৰণসহ চমুকৈ আলোচনা কৰা। ২+২+৬=১০

৩। (ক) ধাতু কাক বোলে? অসমীয়া ভাষাৰ ধাতুবোৰক কেইটা ভাগত ভাগ কৰা হৈছে, উদাহৰণসহ আলোচনা কৰা। ২+৮=১০

অথবা

(খ) অসমীয়া ভাষাৰ বাক্যৰ শ্ৰেণীবিভাগ সম্পৰ্কে উদাহৰণসহ আলোচনা কৰা। ১০

৪। তলৰ যি কোনো **এটাৰ** বিষয়ে চমু টোকা লিখা : ৫

(ক) অসমীয়া ভাষাৰ বচন

(খ) অসমীয়া ভাষাৰ শব্দ-গঠন

(গ) কাৰক আৰু শব্দবিভক্তি

UNIT—III

(*মূল্যাংক* : ১৫)

৫। (ক) ত্ৰয়োদশ শতিকাৰ পৰা উনবিংশ শতিকাৰ প্ৰাৰম্ভলৈকে অসমীয়া লিপিৰ গতি-প্ৰকৃতি সম্বন্ধে আলোচনা কৰা। ১০

অথবা

(খ) মধ্যযুগীয় অসমীয়া লিপিৰ বিভিন্ন ৰূপবোৰৰ বিষয়ে এটি আলোচনা আগবঢ়োৱা।

৬। চমু টোকা লিখা (যি কোনো **এটা**) : ৫

(ক) কাইথেলী লিপি

(খ) কানাই বৰশী বোৱা শিলালিপি

(গ) উমাচল শিলালিপি

★★★